# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2024
**Time :** 18-45 Hrs.

### ASSAMESE REGIONAL BULLETIN
::::::::::::::::::::::::::::::::::::

১। সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প, বিহু ঢোল, জাপি, আশাৰীকান্দিৰ পোৰামাটিৰ শিল্পকে ধৰি ১২ বিধ সামগ্ৰীৰ ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগ লাভ ।

২। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত। বিজেপি, কংগ্ৰেছকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান।

৩। ৰাজ্যজুৰি বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৬৮ সংখ্যক জয়ন্তী পালন।

৪। ৰাজ্যৰ ভিন্ন প্ৰান্তত বিয়লিৰ ভাগত অহা এজাক ধুমুহা আৰু শিলাবৃষ্টিত বিস্তৰ ক্ষতি। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত গুজৰাট টাইটানছ-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হোৱাৰ বিপৰীতে ডেলহি কেপিটেলছ-চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০

অসমৰ ১২ বিধ সামগ্ৰীয়ে ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগ লাভ কৰিছে। সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প, অসমৰ বিহু ঢোল, জাপি, মিচিং হস্ত-তাঁত সামগ্ৰী, পানী মেটেকা শিল্প আৰু আশাৰীকান্দিৰ পোৰামাটিৰ শিল্পক জি আই টেগ প্ৰদান কৰা হৈছে। ইয়াৰ লগতে জথা, গগণা, খাম, চেৰচা আৰু চিফুঙেও জি আই টেগ লাভ কৰিবলৈ সমৰ্থ হৈছে। বড়ো কৃষিভিত্তিক সামগ্ৰী খাৰদ্বিয়েও এই টেগ লাভ কৰিছে। জি আই টেগ লাভ কৰাৰ পাছতে সৰ্থেবাৰীৰ কাঁহ শিল্পৰ সৈতে জড়িত লোকসকল উৎফুল্লিত হৈ পৰিছে। অসম সমবায় কঁহাৰ সংস্থাৰ সম্পাদক তথা কাঁহ শিল্পী মনোজ কুমাৰ ভূঞাই কয় যে, ১২ বছৰৰ চেষ্টাৰ অন্তত লাভ কৰা এই স্বীকৃতি কাঁহ শিল্পক সুৰক্ষা প্ৰদান কৰিব।

**এই সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এনেদৰে কয়**

**ভইছ কাষ্ট**

উল্লেখযোগ্য যে, জি আই স্বীকৃতি নথকাৰ ফলত নকল কাঁহৰ সামগ্ৰীয়ে বজাৰ দখল কৰাত এই শিল্পটোৰ সৈতে জড়িত লোকসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ লাভ কৰা এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ বজাৰ মূল্য সুৰক্ষিত কৰাত সহায় হ'ব বুলি আশা কৰা হৈছে।

০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ প্ৰাৰ্থীসকলক জয়ী কৰোৱাৰ লক্ষ্যৰে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীত প্ৰচাৰ চলাব। নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে তেওঁ আজি মাজুলীৰ গড়মূৰৰ কাছাৰী ময়দানত উপস্থিত হয়। তেওঁ কাইলৈ গড়মূৰৰ মিনি ষ্টেডিয়ামৰ পৰা মহৰিচুকলৈ প্ৰায় ১৫ কিঃমিঃ চাইকেল ৰেলীত অংশ ল'ব। মাজুলীত উপস্থিত হৈ তেওঁ পোনে পোনে চেলেক-ধুনাগুৰি-লখিমপুৰ সংযোগী দলং আৰু দক্ষিণপাটত মাজুলী যোৰহাট সংযোগী নিৰ্ম্মিয়মান দলং পৰিদৰ্শন কৰে। আনহাতে, তেওঁ অহা ৩ এপ্ৰিলত বৰাক উপত্যকাত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বৰাকৰ দুই লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কৃপানাথ মাল্লা আৰু পৰিমল শুক্লবৈদ্যৰ মনোনয়ন পত্ৰ দাখিলৰ সময়তো তেওঁ উপস্থিত থাকিব। ইয়াৰ পাছত তেওঁ হাইলাকান্দিত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

ইপিনে, বিত্তমন্ত্ৰী অজন্তা নেওগে আজি কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ গোলাঘাট জিলাৰ মেৰাপানীৰ কেইবাখনো গাঁও পঞ্চায়তত প্ৰচাৰ চলায়। তেওঁ মেৰাপানী, তৰাণি, অৰুণাচল, চাওদাং পথাৰ, আদৰ্শ গমাৰী আৰু দৈয়াং গাঁও পঞ্চায়তত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে, শ্ৰী তাছাৰ হৈ বিধায়ক বিশ্বজিৎ ফুকনে গোলাঘাটৰ নাহৰণি অঞ্চলত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ কেইবাখনো বাগিচাত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ  চাহ শ্ৰমিকসকলৰ সৈতে তেওঁলোকৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰে। বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰেও এই নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি নগাঁও জিলাৰ অন্তৰ্গত ৰূপহীহাট বিধানসভা সমষ্টি আৰু চামগুৰি বিধানসভা সমষ্টিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

একেদৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অবড়ো সুৰক্ষা সমিতি বিটিএডি অসমৰ প্ৰাৰ্থী জোন দাসে বাক্সা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০

বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৬৮ সংখ্যক জন্ম বাৰ্ষিকী আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ছাত্ৰ দিৱস হিচাপে পালন কৰা হয়। কোকৰাঝাৰ জিলাৰ দতমাৰ থুলুংগাপুৰীত থকা বডোফাৰ সমাধিস্থলত সদৌ বড়ো ছাত্ৰ সন্থাই এই দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে সংগঠনটোৰ সভাপতি দীপেন  বড়োৱে পতাকা উত্তোলন কৰাৰ লগতে বডোফাৰ প্ৰতিমুৰ্তিত মাল্যাৰ্পন কৰে। ইয়াৰ পাছতে আয়োজিত মুকলি সভাত ৰাজ্যৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বড়ো সাহিত্য সভাৰ সভাপতি ডং সুৰথ নাৰ্জাৰী, লেখক তথা সাংবাদিক ৰূপা চিনাইৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্ত উপস্থিত থাকে। বিটিচি প্ৰশাসনেও বডোফাৰ জন্ম বাৰ্ষিকী উপলক্ষে বিটিচি সচিবালয়ৰ সন্মুখত থকা বডোফাৰ প্ৰতিমুৰ্তিত পুস্পমাল্য তৰ্পনৰ লগতে ভালেমান কাৰ্যসূচী গ্ৰহণ কৰে।

তামুলপুৰ জিলাৰ অন্তৰ্গত প্ৰতিখন আঞ্চলিক সমিতিয়ে আজি ছাত্ৰ দিৱস উদযাপন কৰে। কাৰ্যসূচীৰ অংশ হিচাপে নিখিল  বড়ো ছাত্ৰ সন্থাই পতাকা উত্তোলনৰ লগতে বড়ো জনগোষ্ঠীৰ ধৰ্মীয় আৰজ পৰিবেশন

কৰি উপেন্দ্ৰনাথ ব্ৰহ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজলন কৰে। তদুপৰি শান্তিৰ প্ৰতিক পাৰ চৰাই উৰুৱাই বড়োফাৰ আদৰ্শক সন্মান জনায়।

সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ৰ বড়ো লিটাৰেৰী ছোচাইটি আৰু এন এছ এছ অ'ৰ উদ্যোগত বড়োফাৰ জন্মবাৰ্ষিকী উপলক্ষে আজি ছাত্ৰ দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° কল্পনা বৈশ্য, সৰুপেটা শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° নমিতা দাস গুৰুঙৰ লগতে কেবাগৰাকী ব্যক্তি উপস্থিত থাকে। আজি এই অনুষ্ঠানৰ অংশ হিচাপে পুৱাৰ ভাগত গছপুলি ৰোপণ কাৰ্যসূচী লোৱা হয়।

কৰিমগঞ্জ জিলাৰ পাথাৰকান্দি মহাবিদ্যালয়তো আজি ছাত্ৰ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে বক্তাসকলে বড়োফাৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কত আলোকপাত কৰে।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিয়লিৰ ভাগত অহা এজাক ধুমুহা শিলাবৃষ্টিয়ে বিভিন্ন অঞ্চলত ক্ষতি কৰিছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ বিভিন্ন স্থানত আজি বিয়লি প্ৰচণ্ড ধুমুহা আৰু শিল বৰষুণৰ ফলত উজান বাঁহবাৰী, আওহাটা, ৰাজাবিল অঞ্চলি, জালাহ শিমলাকে ধৰি কেবাটাও স্থানত বিস্তৰ ক্ষতি হৈছে। এই অঞ্চলসমূহৰ কেইবাটাও বাসগৃহৰ টিনপাত ফুটি যোৱাৰ লগতে ভালেসংখ্যক পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভাগি পৰা বুলিও জানিব পৰা গৈছে। কোনো কোনো ঠাইত গছ গছনি উভালি পৰাৰ ফলত বিদ্যুৎ সেৱা আৰু পথ যোগাযোগো ব্যাহত হৈছে। ইপিনে, যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত আজি পুৱতি নিশা অহা এজাক ধুমুহা বৰষুণে বিস্তৰ ক্ষয় ক্ষতি কৰে। ধুবুৰী জিলাৰ বিভিন্ন ঠাইত আজি সন্ধিয়াৰ ভাগত ধুমুহা শিলাবৃষ্টিৰ ফলত কেইবাটাও অঞ্চলত ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ভালেমান ঠাইত বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ আছে। গুৱাহাটী মহানগৰীৰ লগতে কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চল আজি বিয়লিৰ ভাগত ধাৰাষাৰ বৰষুণৰ ফলত জলমগ্ন হয়। ঠায়ে ঠায়ে পানী জমা হোৱাৰ ফলত মহানগৰীত যান-জটৰ সৃষ্টি হয়। ইপিনে, গুৱাহাটী বিমান বন্দৰৰ টাৰ্মিনেলো জলমগ্ন হৈ পৰা বুলি জানিব পৰা গৈছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলিও কোৱা হৈছে।

০০০

বিশিষ্ট ভাষাবিদ, সাহিত্যচাৰ্য বিশ্বেশ্বৰ হাজৰিকাৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে শোক প্ৰকাশ কৰিছে। **অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ, চৰ্যাগীতিকোষ** আদিৰ দৰে অমূল্য গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা ভাষাবিদগৰাকীৰ মৃত্যু জাতীয় জীৱনৰ বাবে বৃহৎ ক্ষতি বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰী ৰঞ্জিত দাসেও বিশিষ্ট ভাষাবিদগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালৈলৈ সমবেদনা জ্ঞাপন কৰে। অসম সাহিত্যৰ সভাইও তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যোৱা নিশা গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভাষাবিদগৰাকীৰ মৃত্যু হয়।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ছানৰাইজাৰ্চ হায়দৰাবাদে-গুজৰাট টাইটানছক জয়ৰ বাবে ১৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ছানৰাইজাৰ্চ হায়দৰাবাদে

নিৰ্ধাৰিত অভাৰত ৮ টা উইকেট হেৰুৱাই ১৬২ ৰাণ সংগ্ৰহ কৰে। বাতৰি যুগুতোৱাৰ পৰলৈ গুজৰাট টাইটানছে ২ টা উইকেট হেৰুৱাই ১৬ অভাৰত ১৩৮ ৰাণ সংগ্ৰহ কৰে।

আনহাতে সন্ধিয়া চাৰে ৭ বজাত বিশাখাপট্টনমত হ'বলগীয়া দ্বিতীয়খন খেলত দেলহি কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

০০০

ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৫ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দিতা নিশ্চিত, দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ, ৰাজ্যজুৰি উৎসাহ উদ্দীপনাৰে দৌল মহোৎসৱ পালন, কেন্দ্ৰীয় চৰকাৰে অসমত চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছমাহলৈ বৃদ্ধিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। এই পৰ্য্যায়ৰ বাবে ৩৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছিল। এই পৰ্যায়ত যোৰহাট, লখিমপুৰ, ডিব্ৰুগড়, শোণিতপুৰ আৰু কাজিৰঙাত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিয়ে এই পৰ্য্যায়ৰ ৫খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত প্ৰাৰ্থী থিয় কৰোৱাইছে আৰু ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াইছে। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত কুমাৰ দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে।

০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে যোৱা ২৮ মাৰ্চত অধিসূচনা জাৰি কৰা হয়। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। ০০০

নিৰ্বাচন আয়োগে আসন্ন লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পৰিৱেশ অনুকূল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আয়োগে নিৰ্বাচন সংক্ৰান্তীয় নথি-পত্ৰ তথা ভোটদাতাৰ তালিকাৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ৰাজনৈতিক দলসমূহৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে ই-বুক তথা ই-ডকুমেণ্টৰ ব্যৱহাৰৰ লগতে কাগজৰ দুয়ো পিঠি ব্যৱহাৰ আৰু সঠিক বিন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আসন্ন নিৰ্বাচনৰ সময়ত যোগাযোগৰ বাবে বৈদ্যুতিক মাধ্যম ব্যৱহাৰ কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ উদ্দেশ্যে এই নিৰ্দেশনাসমূহ জাৰি কৰা হৈছে। লগতে আয়োগে পৰিৱেশ অনুকূলভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ তথা ৰাজনৈতিক দলসমূহলৈ আসন্ন নিৰ্বাচনৰ

সময়ছোৱাত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক এৰাই চলাৰ লগতে আৱৰ্জনা নিষ্কাশনৰ পৃথক ব্যৱস্থা তথা অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনত ১০০ শতাংশ ভোটদান নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে কালি অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দুখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। শ্ৰীগোৱেলে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক অসমৰ সকলো ভোটাৰক ভোটদান সুনিশ্চিত কৰাৰ বাবে অধিক সক্ৰিয়ভাবে কাম কৰাৰ বাবে আহ্বান জনায়। বুজাবুজিৰ চুক্তি অনুসৰি এওঁলোকে ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিব। গাঁও পঞ্চায়তৰ কাৰ্যালয়, সমবায় সমিতি কাৰ্যালয় আদিৰ হেল্প ডেস্কৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যসকলে সাৰথি বাইদেউ নামেৰে ভোটাৰ সজাগতা তথা ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি নীতি আৰু উৎসাহ উদ্দীপনাৰে শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা  উদযাপন কৰা হয়। যোৱা ২৬ মাৰ্চত সামৰণি পৰা এই উৎসৱ উপলক্ষে ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰসমূহত কাৰ্যসূচী গ্ৰহণ কৰাৰ সমান্তৰালভাৱে জনসাধাৰণে ফাকুৱা উপলক্ষে পৰস্পৰক ফাকু গুড়ি সানি আনন্দ উদযাপন কৰে। সত্ৰনগৰী বৰপেটাত তিনি দিনীয়াকৈ আয়োজন কৰা শ্ৰী কৃষ্ণৰ দৌল মহোৎসৱৰ ২৬ মাৰ্চত সামৰণি পৰে। এই উপলক্ষে সত্ৰনগৰীখনত দূৰ-দুৰণিৰ পৰা অহা অগণন লোকৰ সমাগম হয়।

বৰপেটা সত্ৰত কলীয়া গোসাঁইৰ লগতে বাৰাদী সত্ৰৰ গোসাঁইকো প্ৰদক্ষিণ কৰোৱা হয়। সত্ৰ নগৰীখনৰ হোলী উৎসৱ হিচাপে সৰ্বজনবিদিত এই উৎসৱৰ অংশ হিচাপে বৰপেটাৰ স্থানীয় আতচবাজী প্ৰজ্বলন আৰু হোলী গীতেৰে চৌদিশ মুখৰিত হৈ উঠে। ৰাজ্যৰ অন্যান্য প্ৰান্তত যেনে বটদ্ৰৱা সত্ৰ, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰ, মাজুলিৰ সত্ৰসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত দৌল উৎসৱ উপলক্ষে উলহ মালহৰ পৰিৱেশে বিৰাজ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে অসমত চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা অসমৰ জিলা চাৰিখন হ'ল তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ আৰু ডিব্ৰুগড়। ইপিনে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওঁতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক এপ্ৰিলৰ পৰা শিক্ষা সেঁতু এপৰ জৰিয়তে উপস্থিতি দিয়াটো বাধ্যতামূলক কৰিছে। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকে এই সন্দৰ্ভত সকলো জিলালৈ গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। মিছন সঞ্চালকগৰাকীয়ে প্ৰকাশ

কৰা মতে, নিৰ্বাচনী দায়িত্ব, পৰীক্ষাৰ দায়িত্ব, প্ৰশিক্ষণ ইত্যাদি কাৰণত বিদ্যালয়ত অনুপস্থিত থকা শিক্ষকে অনুপস্থিতিৰ কাৰণ নথিসহ আপলোড কৰিব লাগিব। অন্যথা শিক্ষকগৰাকীক অনুপস্থিত হিচাপে গণ্য কৰা হ'ব। নিৰ্দেশনাটোত নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ কৃত্ৰিম বুদ্ধিমত্তাৰে পঞ্জীয়ন প্ৰক্ৰিয়া ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে।

০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিত চমু অৱলোকন।

০০০০

ঃঃ সমাপ্ত ঃঃ